**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***<u>Headlines</u>***

১। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অমৃত স্নানলৈ যোৱা যাত্ৰীৰ মাজত হোৱা হেঁচা-থেলাত কমেও ৩০ জন লোক নিহত আৰু ভালেসংখ্যক আহত হয়। আজি আবেলিলৈকে প্ৰায় ৫ কোটি লোকে পূণ্যস্নান কৰে।

২। কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৩৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ৰাষ্ট্ৰীয় অপৰিহাৰ্য খনিজ পদাৰ্থ অভিযানত অনুমোদন জনাইছে।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰধানমন্ত্ৰীয়ে পশ্চিম দিল্লীত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছে দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ প্ৰকাশ কৰিছে।

৪। বিটিং ৰিট্ৰীট অনুষ্ঠানৰ মাজেৰে ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ সামৰণি পৰিছে। ***আৰু***

৫। উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি দ্বিতীয় দিনা বিভিন্ন শাখাৰ অৰ্হতা অৰ্জনকাৰী খেলসমূহ সম্পন্ন হয়।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত পদপিষ্ট হৈ প্ৰায় ৩০ জন লোক নিহত হৈছে আৰু ভালেসংখ্যক লোক আহত হৈছে। মৌনী অমাৱস্যা উপলক্ষে প্ৰয়াগৰাজত মহাকুম্ভথলীৰ অগণন ভক্তই ত্ৰিবেনী সংগমত অমৃত স্নান কৰিবলৈ সংগম ঘাটলৈ অগ্ৰসৰ হোৱাৰ সময়ত হোৱা হেঁচা থেলাত যোৱা নিশা ভালেসংখ্যক লোক পদপিষ্ট হয়। কুম্ভ মেলাৰ দায়িত্বত নিয়োজিত উত্তৰ প্ৰদেশ আৰক্ষীৰ এগৰাকী শীৰ্ষ বিষয়াই প্ৰকাশ কৰা মতে, এতিয়ালৈকে নিহত ২৫ জন লোকক চিনাক্ত কৰা হৈছে। বাকী ৫ জনৰ পৰিচয় এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই।

মহাকুম্ভ মেলাত সংঘটিত এই শোকাবহ দুৰ্ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। এই ঘটনা সন্দৰ্ভত তেওঁ উত্তৰ প্ৰদেশ চৰকাৰৰ লগত অহৰহ যোগাযোগ ৰাখিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে।

ইপিনে, এই শোকাবহ ঘটনা সত্বেও আজি মহাকুম্ভত ত্ৰিবেনী সংগমত দ্বিতীয় পবিত্ৰ অমৃত স্নানৰ বাবে বহু লাখ ভক্তৰ সমাগম হৈছে। উল্লেখযোগ্য যে, মৌনী অমাৱস্যা উপলক্ষে আজিৰ দিনটোত অমৃত স্নান কৰাটো পবিত্ৰ বুলি গণ্য কৰা হয়। যোৱা নিশাৰ এই ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি পুৱাৰ ভাগত আখাৰাসমূহৰ স্নান স্থগিত ৰখা হয়। অৱশ্যে পাছত অমৃত স্নানৰ বাবে সংগম ঘাট মুকলি কৰি দিয়া হয়। দিনৰ দুই বজালৈ ৫ কোটিতকৈও অধিক লোকে এই পবিত্ৰ স্নান সম্পন্ন কৰে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। মহাকুম্ভমেলা বিশ্বৰ সৰ্ববৃহৎ ধৰ্মীয় সমাবেশ হিচাপে পৰিগণিত হৈছে। যোৱা ১৩ জানুৱাৰীত আৰম্ভ হোৱা এই মেলাত বৰ্তমানলৈ প্ৰায় ২৫ কোটি ভক্তই পবিত্ৰ স্নান কৰিছে।

ৰেলৰে প্ৰশাসনে যাত্ৰীসকলৰ সুবিধাৰ অৰ্থে আজি আৰু ১৯০ খন বিশেষ ৰেলগাড়ী চলোৱাৰ ব্যৱস্থা কৰিছে। উত্তৰ মধ্য ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া শক্তিকান্ত ত্ৰিপাঠিয়ে কয়, যে পবিত্ৰ স্নানৰ পাছত বহুসংখ্যক ভক্তই ঘৰলৈ উভতিবৰ বাবে ৰেল ষ্টেছনলৈ আহে।

০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৩৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ৰাষ্ট্ৰীয় অপৰিহাৰ্য খনিজ পদাৰ্থ অভিযানত অনুমোদন জনাইছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত এই বিষয়ে প্ৰকাশ কৰি কয়, যে দেশত সেউজ প্ৰযুক্তি, অধিক ব্যৱহাৰৰ বাবে অতি আৱশ্যকীয় এই খনিজ সম্পদসমূহক অবিৰতভাৱে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে এই অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয়, যে বিকল্প উৎসৰ পৰা শক্তি উৎপাদন,কৃষি, ইলেকট্ৰনিক্স, দূৰসংযোগ, পৰিবহন, বিমান আৰু মহাকাশ প্ৰযুক্তি, পাৰমানবিক শক্তি খণ্ড আৰু প্ৰতিৰক্ষা খণ্ডকে ধৰি বিভিন্ন খণ্ডৰ প্ৰগতিৰ বাবে এই অত্যাৱশ্যকীয় খনিজৰ সুব্যৱহাৰ অতিশয় প্ৰয়োজনীয়। দেশত এনে অত্যাৱশ্যকীয় খনিজ পদাৰ্থৰ অন্বেষণ আৰু আহৰণৰ জৰিয়তে এইসমূহ দেশীয়ভাৱে উৎপাদন কৰি দেশৰ আমদানি হ্ৰাস কৰাটোৱে এই অভিযানৰ মূল লক্ষ্য বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে।

০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীৰ যমুনা খাদাৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে দলৰ প্ৰতিশ্ৰুতিসমূহ দোহাৰি শ্ৰীমোদীয়ে কয়, যে দিল্লীৰ জনসাধাৰণে এতিয়া এনে এখন চৰকাৰ বিচাৰে যিয়ে গৃহহীনৰ বাবে বাসগৃহ আৰু প্ৰতিঘৰ লোকলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিব পাৰে। কংগ্ৰেছ আৰু আম আদমী পাৰ্টিৰ যোৱা ২৫ বছৰীয়া শাসনকালত দিল্লীৰ সমস্যাসমূহৰ কোনো পৰিৱৰ্তন নহল বুলি প্ৰধানমন্ত্ৰী মোদীয়ে অভিযোগ কৰে। দিল্লীত বিজেপি শাসনলৈ আহিলে সকলো নিৰ্বাচনী প্ৰতিশ্ৰুতি নিৰ্ধাৰিত সময়ৰ ভিতৰত পূৰণ কৰা হব বুলি শ্ৰীমোদীয়ে আশ্বাস দিয়ে।

০০০০

সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ইয়াৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছে। দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশ আৰু পৱন খেৰাৰ লগতে দলৰ দিল্লী শাখাৰ মুৰববী দেৱেন্দ্ৰ যাদৱে আজি নতুন দিল্লীত দলৰ এই ইস্তাহাৰ প্ৰকাশ কৰে। নিৰ্বাচনী ইস্তাহাৰত কংগ্ৰেছ দলে পিয়াৰী দিদি যোজনাৰ অধীনত মহিলাসকলক মাহিলী দুহেজাৰ ৫০০ টকাকৈ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। ২৫ লাখ টকালৈকে বিনামুলীয়া স্বাস্থ্য বীমা, ৫০০ টকাত ৰন্ধন গেছৰ চিলিণ্ডাৰ, বিনামুলীয়া ৰেচন আৰু ৩০০ ইউনিটলৈ বিনামুলীয়া বিজুলীৰ সুবিধা দিয়াকে ধৰি অন্য কেইবাটাও প্ৰতিশ্ৰুতি দলৰ ইস্তাহাৰত দিয়া হৈছে। ৰাষ্ট্ৰীয় ৰাজধানীৰ শাসনভাৰ দলৰ হাতলৈ আহিলে কংগ্ৰেছে জাতিভিত্তিক পিয়লৰ লগতে পূৰ্বাঞ্চলীয় লোকসকলৰ বাবে এটা বিভাগ স্থাপনৰো প্ৰতিশ্ৰুতি দিছে। ইস্তাহাৰখন প্ৰকাশ কৰি দলৰ জ্যেষ্ঠ নেতা শ্ৰীৰমেশে কয়, যে গেৰাণ্টি মানে হৈছে জনসাধাৰণৰ অধিকাৰ আৰু দলে দিল্লীৰ জনসাধাৰণৰ বাবে ৫ টা গেৰাণ্টিৰ প্ৰতিশ্ৰুতি দিছে। বিজেপি আৰু আপে দিল্লী মহানগৰৰ প্ৰদূষণৰ বিষয়টোক অৱহেলা কৰা বুলিও শ্ৰীৰমেশে অভিযোগ কৰে।

০০০০

নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট খন্তেক আগতে অন্ত পৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু অন্য কেন্দ্ৰীয় মন্ত্ৰীসকল অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত **কদম কদম বঢ়ায়ে যা** বাদ্য সংগীতৰ লগতে অন্যান্য সংগীতো পৰিৱেশন কৰা হয়।

০০০০

নতুন দিল্লীৰ কৰ্তব্য পথত অনুষ্ঠিত এইবাৰৰ গণৰাজ্য দিৱসৰ  কুচকাৱাজত উত্তৰ প্ৰদেশৰ মহাকুম্ভ ২০২৫ - স্বৰ্ণিম ভাৰত-ঐতিহ্য আৰু উন্নয়নৰ বিষয়বস্তুৰে সাজি উলিওৱা প্ৰতীকপটে শ্ৰেষ্ঠ প্ৰতীকপটৰ  সন্মান লাভ কৰিছে। ত্ৰিপুৰাই দ্বিতীয় আৰু অন্ধ্ৰপ্ৰদেশে তৃতীয় শ্ৰেষ্ঠ প্ৰতীকপটৰ সন্মান লাভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহৰ ভিতৰত জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ জনজাতীয় গৌৰৱ বৰ্ষ বিষয়বস্তুৰ প্ৰতীকপটে শ্ৰেষ্ঠ প্ৰতীকপটৰ সন্মান লাভ কৰিছে। সেইদৰে জম্মু আৰু কাশ্মীৰ ৰাইফল দলে শ্ৰেষ্ঠ মাৰ্চিং সন্মান আৰু কেন্দ্ৰীয় সশস্ত্ৰ বল আৰু অন্য সহায়ক দলৰ ভিতৰত  দিল্লী আৰক্ষীয়ে শ্ৰেষ্ঠ মাৰ্চিং দলৰ সন্মান লাভ কৰিছে। কেন্দ্ৰীয় লোকনিৰ্মাণ বিভাগ আৰু **জয়তী জয় মমঃ ভাৰতম** নৃত্য দলে বিশেষ পুৰস্কাৰ লাভ কৰে।

০০০০

ৰাজ্যৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হৰমিত সিঙে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত হৰমিত সিঙে জি পি সিঙৰ পৰা দায়িত্ব গ্ৰহণ কৰে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ পৰিপ্ৰেক্ষিতত হৰমিত সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব দিয়া হৈছে। আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি নৱনিযুক্ত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অসম আৰক্ষীৰ পৰিকল্পনা সন্দৰ্ভত এনেদৰে কয়-

**ঃবাইটঃ**

আৰক্ষী সঞ্চালক প্ৰধান হিচাপে জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙৰ কাৰ্যকালৰ অন্তিমটো দিনত আজি চতুৰ্থ অসম আৰক্ষী বাহিনীৰ পেৰেড গ্ৰাউণ্ডত বিদায় অভিবাদন জনোৱা হয়। আৰক্ষীৰ শীৰ্ষ বিষয়াগৰাকীৰ বিদায় অভিবাদন পেৰেডত আৰক্ষীৰ আঠটা প্লেটুনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যৰ প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষকো উপস্থিত থাকে। এই অনুষ্ঠানত বিদায়ী আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অসম আৰক্ষীৰ প্ৰতিজন বিষয়া জোৱানকে আৰক্ষী হোৱাৰ পূৰ্বে সদায় এজন ভাল মানুহ হিচাপে কাম কৰাৰ আহ্বান জনায়। লগতে ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙক শুভকামনা জনায়। অসম এৰাৰ পূৰ্বে বিদায়ী আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কামাখ্যা মন্দিৰ দৰ্শন কৰে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীৰ কাৰ্যকালৰ অন্তিম দিনটোত পুৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ বাসগৃহলৈ গৈ বিদায় জনোৱাৰ লগতে নতুন দায়িত্বৰ বাবে শুভকামনা জনায়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম আৰক্ষীৰ বিদায়ী সঞ্চালক প্ৰধান জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানৰ দায়িত্বভাৰ গ্ৰহণৰ পূৰ্বে কালি আনুষ্ঠানিকভাৱে বিদায়  জনায়। শ্ৰী আচাৰ্যই সঞ্চালক প্ৰধানগৰাকীক নতুন দায়িত্ব নিৰ্বাহৰ পূৰ্বে অভিনন্দন জ্ঞাপন কৰে। ৰাজভৱনত কালি আয়োজিত অনুষ্ঠানত কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত আছিল।

০০০০

জৈৱ বৈচিত্ৰ্ৰ ক্ষেত্ৰত চহকী নাগালেণ্ডে জৈৱিক কৃষি বজাৰত প্ৰৱেশ কৰাৰ লগতে ৰাজ্যখনত ইয়াৰ প্ৰসাৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। নাগালেণ্ডৰ পৰম্পৰাগত কৃষি পদ্ধতি জৈৱিক কৃষি পদ্ধতিৰ সৈতে বহুখিনি মিল আছে। ইয়াৰে কৃষকসকলে পৰম্পৰাগত জ্ঞান বুদ্ধিৰে কৃষি শস্য উৎপাদন কৰাৰ লগতে জৈৱ বৈচিত্ৰ্যও সংৰক্ষণ কৰি আহিছে। আমাৰ আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, নাগালেণ্ডৰ ২৪১ খন গাওঁত প্ৰায় ১৩ হাজাৰ ৫০০ হেক্টৰ ভূমিত ১৩ হাজাৰ ৫০০ শ গৰাকী কৃষক জৈৱিক কৃষিকাৰ্যত নিয়োজিত হৈছে। এই কৃষকসকলে সানমিহলি শস্য, ধান, জলকীয়া, বিলাহী, মাকৈ আদিৰ খেতি কৰিছে।

০০০০

তেলেংগানাৰ বিধান পৰিষদৰ ৩ খন আসনৰ বাবে অহা ২৭ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হব। তিনিওখন আসনত থকা বৰ্তমানৰ  সদস্যসকলৰ কাৰ্যকালৰ অহা মাৰ্চ মাহত অন্ত পৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই আসন কেইখনৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সময়সূচী প্ৰকাশ কৰিছে।

মেদাক - নিজামাবাদ - আদিলাবাদ গ্ৰেজুৱেট, মেদাক-নিজামাবাদ-আদিলাবাদ আৰু ৱাৰংগল-খাম্মান-নালগন্দা-টিচাৰ্চ আসনকেইখনৰ বিধায়িনী সদস্যসকলৰ কাৰ্যকাল অহা ২৯ মাৰ্চত অন্ত পৰিব। এই আসনকেইখনৰ বাবে অহা ২৭ ফেব্ৰুৱাৰীত ভোটদান আৰু অহা ৩ মাৰ্চত ভোটগণনা কৰা হ'ব। অহা ১০ ফেব্ৰুৱাৰীত মনোনয়ন দাখিলৰ আৰু অহা ১৩ ফেব্ৰুৱাৰীত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। নিৰ্বাচন হ'বলগীয়া এই অঞ্চলকেইটাত অচিৰেই নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব।

০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি দ্বিতীয় দিনা বিভিন্ন শাখাৰ অৰ্হতা অৰ্জনকাৰী খেলসমূহ সম্পন্ন হয়। মহিলাৰ দহ মিটাৰ এয়াৰ ৰাইফল প্ৰতিযোগিতাত হাৰিয়ানাৰ ৰমিতা জিন্দালে আজি নতুন বিশ্ব অভিলেখ স্থাপন কৰে। তেওঁ ৬৩৪ দশমিক ৯ পইণ্ট সংগ্ৰহ কৰি পেৰিছ্ অলিম্পিকত কোৰিয়াৰ বান হাঅ'জিনৰ ৬৩৪ দশমিক ৫পইণ্টৰ অভিলেখ ভংগ কৰে। ৰমিতাই পৰৱৰ্তী ৰাউণ্ডত এই ধাৰা অব্যাহত ৰাখিলে দেশে এগৰাকী বিশ্বমানৰ শ্যুটাৰ লাভ কৰাটো নিশ্চিত হৈছে।

মহিলাৰ খো খো প্ৰতিযোগিতাত কৰ্ণাটকে উত্তৰাখণ্ডক ৪১ - ১২ পইণ্টত পৰাজিত কৰে। আনহাতে, অসমৰ ছোৱালী দলটোৱে শক্তিশালী মহাৰাষ্ট্ৰক বীচ্চ হেণ্ডবল প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

সমাপ্ত